
# পাঠ-৩ দৈৰ্ঘ্য

দুলুমণিহঁতৰ বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালিত গধুৰ বস্তু দলিওৱা খেলত কোনে কিমান মিটাৰ দলিয়াব পাৰিছে চাওঁ আহা



| নাম | দলিওৱা দূৰত্ব | স্থান |
|---|---|---|
| কৰবী | ৩ মিটাৰ ৫০ চেণ্টিমিটাৰ | |
| নাফিজা | ৩ মিটাৰ ১০ চেণ্টিমিটাৰ | |
| প্ৰণীত | ২ মিটাৰ ৫০ চেণ্টিমিটাৰ | চতুৰ্থ |
| সুপ্ৰিয় | ৩ মিটাৰ | |
| দুলুমণি | ২ মিটাৰ ২০ চেণ্টিমিটাৰ | |
| ৰুক্মিণী | ১ মিটাৰ ৪০ চেণ্টিমিটাৰ | |




**ওপৰৰ তালিকাখন চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা**

- কোনে কি স্থান পালে তালিকাখনত লিখা?
- আটাইতকৈ বেছি দূৰলৈ কোনে আৰু কিমান দূৰলৈ দলিয়ালে? ______ ______
- আটাইতকৈ কম দূৰত কোনে আৰু কিমান দূৰলৈ দলিয়ালে? ______ ______
- প্ৰথম আৰু শেষৰ স্থান দুটাৰ দূৰত্বৰ পাৰ্থক্য কিমান? ______
- সুপ্ৰিয়তকৈ নাফিজাই কিমান বেছি দূৰলৈ দলিয়ালে? ______
- দুলুমণিয়ে প্ৰথম স্থান পাবলৈ আৰু কিমান দূৰলৈ দলিয়াব লাগিব? ______



**স্কেল সাজো আহা**

**প্ৰয়োজনীয় সামগ্ৰী**

⇨ বাঁহৰ দীঘল কামি (তোমাৰ ৪ হাত মান)
⇨ দাগ কটা স্কেল এপাত
⇨ এডাল জোঙা পেঞ্চিল



**কেনেকৈ সাজিবা**

- কামিডালৰ এটা মূৰত '০' বুজাবলৈ এটা দা
দিয়া।
- '০' দাগটোত তুমি লোৱা স্কেলপাতত থ
দাগটো মিলোৱা।
- এইবাৰ প্ৰতি ১ চেণ্টিমিটাৰ মূৰে মূৰে পেণ্
দাগ দিয়া
- কামিডালত ১০ চেণ্টিমিটাৰ হ'লে ১
চেণ্টিমিটাৰ হ'লে ২০ লিখি লোৱা।
- ১০০ চেণ্টিমিটাৰ পালে কামিডালত ১০
আৰু ইয়াৰ পিছত কামিডাল কাটি লোৱা।
- প্ৰতি চেণ্টিমিটাৰক স্কেলত থকা দৰে স
দহ ভাগ কৰি দাগ দিয়া।

**কাগজেৰেও এনে স্কেল সাজিব পাৰি**

**প্ৰয়োজনীয় সামগ্ৰী ঃ**

(আৰ্ট পেপাৰ, কেচী, আঠা, স্কেল, পেঞ্চিল)



- আৰ্ট পেপাৰৰ দীঘে দীঘে ৪ চেণ্টিমিটাৰ বহলকৈ দুটুকুৰা আৰ্ট পেপাৰ কাটি লোৱা। আৰ্ট পেপাৰ দুটুকুৰা আঠা লগাই দীঘল কৰি লোৱা।
- আৰ্ট পেপাৰৰ দীঘল টুকুৰাটোৰ এটা মূৰত '০' দাগ এটা দি স্কেল পাতৰ '০' দাগৰ সৈতে মিলাই লোৱা।



- এইবাৰ প্ৰতি ১ চেণ্টিমিটাৰ মূৰে মূৰে পেঞ্চিলেৰে দাগ দি যোৱা। এনেদৰে ১০০ চেণ্টিমিটাৰ পালে তাত এটা দাগ দিয়া। ১০০ চেণ্টিমিটাৰ দাগটোত ১মিটাৰ দিয়া।
- ইয়াৰ পিছতে কাগজডোখৰ কাটি লোৱা। এনেদৰে তোমাৰ বাঁহৰ আৰু কাগজৰ 'মিটাৰ স্কেল' সজা হৈ গ'ল। কাৰণ,

| ১০০ চেণ্টিমিটাৰ = ১ মিটাৰ |
|---|

**জানি লওঁ আহা**

দীঘল বস্তুৰ জোখ মিটাৰত আৰু চুটি বস্তুৰ জোখ চেণ্টিমিটাৰত লোৱা হয়। মিটা
চেণ্টিমিটাৰক চমুকৈ **মি** আৰু **চে মি** বুলি লিখা হয়।

তলত দিয়া বস্তুবোৰ কি এককত লিখিবা ? (চেণ্টিমিটাৰ/মিটাৰ)

প্ৰস্তুত কৰা স্কেলৰ সহায়ত চেণ্টিমিটাৰত জোখবোৰ লওঁ আহা



টেবুলখনৰ দৈৰ্ঘ্য = —— চেণ্টিমিটাৰ



শ্ৰেণী কোঠাৰ দুৱাৰখনৰ উচ্চতা = —— চেণ্টিমিটাৰ



কমলৰ বাবে কটা কাপোৰৰ জোখ = —— চেণ্টিমিটাৰ



বিমনৰ উচ্চতা = —— চেণ্টিমিটাৰ

মনত পেলাও আহা

১ মিটাৰ = ১০০ চেণ্টিমিটাৰ

গতিকে ২ মিটাৰ = ২ × ১০০ চেণ্টিমিটাৰ = ২০০ চেণ্টিমিটাৰ

৪ মিটাৰ = ৪ × ১০০ চেণ্টিমিটাৰ = ৪০০ চেণ্টিমিটাৰ



নিজে কৰা

৬ মিটাৰ = .................................... = ...................... চেণ্টিমিটাৰ

১০ মিটাৰ = .................................... = ...................... চেণ্টিমিটাৰ

১২ মিটাৰ = .................................... = ...................... চেণ্টিমিটাৰ

মিটাৰ আৰু চেণ্টিমিটাৰক, চেণ্টিমিটাৰলৈ পৰিৱৰ্তন কৰোঁ আহা

৫ মিটাৰ ২৫ চেণ্টিমিটাৰ

= ৫ × ১০০ চেণ্টিমিটাৰ + ২৫ চেণ্টিমিটাৰ

= ৫০০ চেণ্টিমিটাৰ + ২৫ চেণ্টিমিটাৰ

= ৫২৫ চেণ্টিমিটাৰ

মিটাৰ আৰু চেণ্টিমিটাৰক, চেণ্টিমিটাৰলৈ পৰিৱৰ্তন কৰা

(ক) ৭ মিটাৰ ২৪ চেণ্টিমিটাৰ

= ................................

= ................................

= .................. চেণ্টিমিটাৰ

(খ) ১২ মিটাৰ ১৫ চেণ্টিমিটাৰ

= ................................

= ................................

= .................. চেণ্টিমিটাৰ

(গ) ৩ মিটাৰ ৬০ চেণ্টিমিটাৰ

= ................................

= ................................

= .................. চেণ্টিমিটাৰ

(ঘ) ১৫ মিটাৰ ৭৫ চেণ্টিমিটাৰ

= ................................

= ................................

= .................. চেণ্টিমিটাৰ

(ঙ) ১৭ মিটাৰ ৮ চেণ্টিমিটাৰ

= ................................

= ................................

= .................. চেণ্টিমিটাৰ

(চ) ১০ মিটাৰ ৪ চেণ্টিমিটাৰ

= ................................


= ................................

= .................. চেণ্টিমিটাৰ



**আৰু কিমান চেণ্টিমিটাৰ লগ লগালে এক মিটাৰ হ'ব খালী ঠাইত লিখা**

*শিক্ষকলৈ নিৰ্দেশনা : ছাত্ৰ-ছাত্ৰীক কিমান চেণ্টিমিটাৰ লগ লাগি এক মিটাৰ হ'ব খালী ঠাইত পূৰ কৰিবলৈ দিব।*




**চেণ্টিমিটাৰক মিটাৰলৈ পৰিবৰ্তন কৰোঁ আহা**

২০০ চেণ্টিমিটাৰ = ১০০ চেণ্টিমিটাৰ + ১০০ চেণ্টিমিটাৰ
= ১ মিটাৰ + ১ মিটাৰ
= ২ মিটাৰ

**চেণ্টিমিটাৰক মিটাৰলৈ পৰিবৰ্তন কৰা**

(ক) ৩০০ চেণ্টিমিটাৰ
= ..........
= ..........
= .......... মিটাৰ

(খ) ৪০০ চেণ্টিমিটাৰ
= ..........
= ..........
= .......... মিটাৰ

(গ) ৫০০ চেণ্টিমিটাৰ
= ..........
= ..........
= .......... মিটাৰ

(ঘ) ৬০০ চেণ্টিমিটাৰ
= ..........
= ..........
= .......... মিটাৰ



**কিমান চেণ্টিমিটাৰ হ'ব?**

তলত দিয়া প্ৰাণীবোৰৰ উচ্চতাৰ জোখ (প্ৰায়) দিয়া হৈছে। এই জোখবোৰ চেণ্টিমিটাৰত উলিওৱ



১ মিটাৰ ১৫ চেণ্টিমিটাৰ
= ১×১০০ চেণ্টিমিটাৰ + ১৫ চেণ্টিমিটাৰ
= ১১৫ চেণ্টিমিটাৰ



১ মিটাৰ ১০ চেণ্টিমিটাৰ
= ১×১০০ চে.মি. ১০ চে.
= ১১০ চে.মি.



১ মিটাৰ ৫ চেণ্টিমিটাৰ
= ১×১০০ চে.মি. ৫ চে.মি.
= ১০৫ চে.মি.



৫ মিটাৰ
= ৫×১০০ চে.মি.
= ৫০০ চে.মি.




১.২০ মিটাৰ
= ..........
= ..........



৩ মিটাৰ
= ..........
= ..........

## তলৰ ছবিখন চাই বস্তুবোৰৰ মাজৰ দূৰত্ব অনুমান কৰোঁ আহা

*শিক্ষকলৈ নিৰ্দেশনা : ছবিখন চাই দূৰত্ববোৰ অনুমান কৰিবলৈ দিব। এনেদৰে অনুমান কৰি লিখা মানবোৰ পাছত জোখৰে জুখি চাবলৈ দিব।*



(ক) বলটোৰ পৰা ফুলৰ টাবটোলৈ দূৰত্ব = ............ চেণ্টিমিটাৰ

(খ) বলটোৰ পৰা কোঠাটোৰ চুকটোলৈ দূৰত্ব = ............ চেণ্টিমিটাৰ

(গ) টেবুলখনৰ পৰা বলটোলৈ দূৰত্ব = ............ চেণ্টিমিটাৰ

(ঘ) দুৱাৰৰ পৰা টেবুলখনলৈ দূৰত্ব = ............ চেণ্টিমিটাৰ

(ঙ) ফুলৰ টাবটোৰ পৰা টেবুলখনলৈ দূৰত্ব = ............ চেণ্টিমিটাৰ


## বিভিন্ন স্থানৰ মাজৰ দূৰত্ব অনুমান কৰা। পিছত প্ৰকৃত দূৰত্ব হিচাপ কৰি উলিওৱা

*শিক্ষকলৈ নিৰ্দেশনা : শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণী কোঠাৰ বাহিৰলৈও উলিয়াই আনিব আৰু বিভিন্ন স্থানৰ মাজৰ দূৰত্ব প্ৰথমতে অনুমান কৰি পাছত সঠিক জোখ-মাখৰ দ্বাৰা সত্যতা নিৰূপণ কৰিবলৈ দিব।*

| বিভিন্ন স্থান | আনুমানিক দূৰত্ব | প্ৰকৃত দূৰত্ব |
|---|---|---|
| শ্ৰেণীকোঠাৰ দুৱাৰৰ পৰা ফুলনি বাগিচালৈ | ............ মিটাৰ | ............ মিটাৰ |
| শ্ৰেণীকোঠাৰ পৰা ৰান্ধনি-ঘৰলৈ | ............ মিটাৰ | ............ মিটাৰ |
| ৰান্ধনি-ঘৰৰ পৰা হাত-ধোৱা স্থানলৈ | ............ মিটাৰ | ............ মিটাৰ |
| ফুলনি বাগিচাৰ পৰা পানীৰ উৎসলৈ | ............ মিটাৰ | ............ মিটাৰ |
| শ্ৰেণীকোঠাৰ দুৱাৰৰ পৰা বিদ্যালয়ৰ ভপনালৈ | ............ মিটাৰ | ............ মিটাৰ |

## জানি লওঁ আহা

ৰাস্তা, নদী, পাহাৰৰ উচ্চতা আদি বেছি দীঘল জোখবোৰ ল'বলৈ কিলোমিটাৰ একক ব্যৱহাৰ কৰা হয়। কিলোমিটাৰক চমুকৈ (কি মি) বুলি লিখা হয়।



নদী এখনৰ দীঘ



ৰাস্তা এটাৰ দীঘ

১ কিলোমিটাৰ = ১০০০ মিটাৰ

## যোগবোৰ কৰি চাওঁ আহা

(ক)
৩ মি ৫০ চে মি
+ ৪ মি ২০ চে মি
________

(খ)
২ মি ২৫ চে মি
+ ১ মি ৭০ চে মি
________

(গ)
৪ মি ৩০ চে মি
+ ৩ মি ২০ চে মি
________

(ঘ)
৫ মি ৩৫ চে মি
+ ৭ মি ৬০ চে মি
________

(ঙ)
১১ কি মি ২৫ মি
+ ১০ কি মি ২৪ মি
________

(চ)
১২ কি মি ৫০ মি
+ ৯ কি মি ৪০ মি
________

### বিয়োগবোৰ কৰি চাওঁ আহা

(ক)
৩ মি ৮০ চে মি
- ২ মি ৪০ চে মি

(খ)
৫ মি ৫০ চে মি
- ৪ মি ৪০ চে মি

(গ)
৪ মি ৫০ চে মি
- ৩ মি ৩০ চে মি

(ঘ)
৭ মি ৫৫ চে মি
- ৬ মি ২৫ চে মি

(ঙ)
২৪ কিমি ৩২ মি
- ১৪ কিমি ১৫ মি

(চ)
১৫ কিমি ৬৪০ মি
- ১৪ কিমি ৩৩০ মি

### সমস্যাবোৰ সমাধান কৰোঁ আহা

(ক) ৰমেনৰ দেউতাকে ১ মি ৫০ চে মি নীলা কাপোৰ আৰু ২ মি ৪০ চে মি বগা কাপোৰ আনিলে। তেওঁ মুঠতে কিমান কাপোৰ আনিলে?

(খ) তোমাৰ ঘৰৰ দুৱাৰৰ ওপৰৰ খিলিটো ১৯০ চে মি উচ্চতাত আছে। তুমি ঢুকি পোৱা উচ্চতা ১৬০ চে মি। খিলিটো ঢুকি পাবলৈ তুমি আৰু কিমান ওখ হ'ব লাগিব?

এযোৰ পোছাক চিলাবলৈ ৩ মিটাৰ কাপোৰৰ প্ৰয়োজন হ'লে তেনেকুৱা ৩ যোৰ পোছাক চিলাবলৈ কিমান কাপোৰৰ প্ৰয়োজন হ'ব?

৫ মিটাৰ দৈৰ্ঘ্যৰ বাঁহ এডালৰ পৰা ৪ মিটাৰ কাটিলে কিমান মিটাৰ বাঁহ বাকী থাকিব?

(ঙ) মিলিয়ে ৫ মিটাৰ দীঘল ৰঙা ফিতা এডাল কিনিলে। ইয়াৰ পৰা তাই বীমাক ৩ মিটাৰ দিলে। তাইৰ হাতত এতিয়া কিমান মিটাৰ থাকিব?



(চ) পাপৰিয়ে চাইকেলেৰে ১৫০ মিটাৰ আৰু খোজকাঢ়ি ৫০ মিটাৰ বাট গ'ল। মুঠতে তাই কিমান দূৰ বাট গ'ল?

(ছ) বিদ্যালয়ৰ দৌৰ প্ৰতিযোগিতাত প্ৰিয়াই ৫০ মিটাৰ দৈৰ্ঘ্যৰ খেলপথাৰখনত ইমূৰৰ পৰা সিমূৰলৈ দুই পাক ঘূৰিলে। তাই কিমান দূৰত্ব অতিক্ৰম কৰিলে?

(জ) মেঘালীৰ উচ্চতা ১ মিটাৰ ৫০ চে মি। তাইৰ ভনীয়েক গুণগুণ তাইতকৈ ৩০ চে মি চুটি। গুণগুণৰ উচ্চতা কিমান?

(ঝ) ৰুণজুনহঁতৰ ঘৰৰ পদূলিলৈ যোৱাৰ বাটত এজোপা নাহৰ, এজোপা শেৱালি আৰু এজোপা কৃষ্ণচূড়াৰ গছ আছে। নাহৰ জোপাৰ পৰা শেৱালি জোপালৈ দূৰত্ব ২০ মিটাৰ। শেৱালি জোপাৰ পৰা কৃষ্ণচূড়া জোপালৈ দূৰত্ব ১২ মিটাৰ। নাহৰ জোপাৰ পৰা কৃষ্ণচূড়া জোপালৈ মুঠ দূৰত্ব কিমান?

### নিজে জুখি চোৱা

- গছৰ পুলি এটা ৰুৱা। ● তাত প্ৰতিদিনে পানী দিবা। ● এতিয়া প্ৰতি সপ্তাহত পুলিটোৰ জোখ লোৱা
- প্ৰতি সপ্তাহত পুলিটো কিমান চেণ্টিমিটাৰ ওখ হ'ল লিখা।

| সপ্তাহ | চেণ্টিমিটাৰ |
|---|---|
| প্ৰথম সপ্তাহত | ............................চে মি |
| দ্বিতীয় সপ্তাহত | ............................চে মি |
| তৃতীয় সপ্তাহত | ............................চে মি |
| চতুৰ্থ সপ্তাহত | ............................চে মি |



*শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ ছাত্ৰীক এনেধৰণেৰে প্ৰকল্প কৰিবলৈ দিব।*